# MA Entrance Questions

**1.”**ভাৰ্যা পুত্ৰ বন্ধু পাই যথা তথা।

হেন নতু দেখোবোঁ সোদৰ পাই কথা।।**“**

-এই শ্লোকটো ৰামায়ণৰ কোনটো কাণ্ডত পোৱা যায়-

1)আদি কাণ্ড 2)অযোধ্যা কাণ্ড

3)লংকা কাণ্ড 4)কিষ্কিন্ধা কাণ্ড উত্তৰঃ-**2**

**2.‘An Introduction to Assamese Phonology’** নামৰ গ্ৰন্থখনৰ প্ৰণেতাজন হ’ল-

1)ড০ বাণীকান্ত কাকতি 2)ড০ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

3)ড০ উপেন্দ্ৰনাথ গোস্বামী 4)ড০ গোলোক চন্দ্ৰ গোস্বামী উত্তৰঃ-**4**

**3.**আইভান টুৰ্গেনিভৰ ‘দ্যা ভাৰ্জিন ছয়ল’ নামৰ গ্ৰন্থখন ‘কুমাৰী পৃথিৱী’ নামেৰে অসমীয়া ভাষালৈ অনুবাদ কৰা অনুবাদকজন হ’ল-

1)বীৰেন বৰকটকী 2)বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

3)আব্দুল মালিক 4)প্ৰফুল্ল কটকী উত্তৰঃ-**1**

**4.**’অসমীয়া ভাষাৰ ইতিহাস’ গ্ৰন্থখন কাৰ ৰচনা-

1)বাণীকান্ত কাকতি 2)ৰমেশ পাঠক

3)গোলোক চন্দ্ৰ গোস্বামী 4)ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা উত্তৰঃ-**2**

**5.**বিজ্ঞাপনৰ অনুবাদ কেনেধৰণৰ হয়-

1)কলাধৰ্মী 2)বিজ্ঞানধৰ্মী

3)যোগাযোগধৰ্মী 4)বাৰ্তাধৰ্মী উত্তৰঃ-**3**

**6.**নলিনীবালা দেৱীয়ে কোনখন কাব্য সংকলনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিলে-

1)সন্ধিয়াৰ সুৰ 2)সপোনৰ সুৰ

3)পৰশমণি 4) অলকানন্দা উত্তৰঃ-**4**

**7.**মাধৱদেৱৰ ঝুমুৰাসমূহৰ মূল কি-

1)কৃষ্ণকৰ্ণামৃত 2)ভাগৱত পুৰাণ

3)হৰিবংশ 4)গীতা উত্তৰঃ-**1**

**8.**’ৰমণী গাভৰু’ আৰু ‘কোঁৱৰ বিদ্ৰোহ’ৰ ৰচক হ’ল-

1)বেণুধৰ ৰাজখোৱা 2)পদ্মনাথ গোহাঞিবৰুৱা

3)বেণুধৰ শৰ্মা 4)সূৰ্য্য কুমাৰ ভূঞা উত্তৰঃ-**4**

**9.**ৰুদ্ৰৰাম বৰদলৈয়ে তলৰ কোনখন সামাজিক নাটক ৰচনা কৰিছিল-

1)বিবাহ ৰহস্য 2)ৰাম নৱমী

3)কানীয়া -কীৰ্তন 4)বঙাল-বঙালনী উত্তৰঃ-**4**

**10.“A Descriptive Catalogue of Assamese Manuscripts”** গ্ৰন্থখনিৰ ৰচক হ’ল-

1)মহেন্দ্ৰ বৰা 2)লীলা গগৈ

3)হেমচন্দ্ৰ গোস্বামী 4)সৰ্বেশ্বৰ কটকী উত্তৰঃ-**3**

**11.**কামৰূপত যোৰা-নামক কি বোলা হয়-

1)বিয়া নাম 2)খিচা গীত

3)দৰা আদৰা গীত 4)নামতী গীত উত্তৰঃ-**2**

**12.**ধ্ৰুপদী (Classical) সংগীতৰ বৈশিষ্ট্য থকা গীতবিধ হৈছে-

1)বাৰমাহী গীত 2)বৰগীত

3)টোকাৰী গীত 4)জিকিৰ উত্তৰঃ-**2**

**13.Recreation** শব্দটোৰ অসমীয়া প্ৰতিশব্দ হৈছে-

1)অনুলিখন 2)অনুসৃজন

3)পুনঃসৃজন 4)ৰূপান্তৰকৰণ উত্তৰঃ-**2**

**14.**চৰ্যাপদৰ মূল গ্ৰন্থখনৰ নাম-

1)চৰ্যাচৰ্যবিনিশ্চয় 2)চৰ্যাগীতিকোষ

3)দোহাকোষ 4)চৰ্যা গীত উত্তৰ-**2**

**15.**শূন্যপুৰাণৰ ৰচয়িতা-

1)কবিন্দ্ৰ পৰমেশ্বৰ 2)ৰমাই পণ্ডিত

3)বড়ু চণ্ডীদাস 4)কবিৰত্ন সৰস্বতী উত্তৰঃ-**2**

**16.**’ঊষা পৰিণয়’ কাব্যৰ ৰচয়িতা-

1)মনকৰ 2)পীতাম্বৰ

3)দুৰ্গাবৰ 4)নাৰায়ণদেৱ উত্তৰঃ-**3**

**17.** শ্ৰীমন্ত শংকৰদেৱে সৰ্বশেষত ৰচনা কৰা পুথিখন-

1)নিমিনৱসিদ্ধসংবাদ 2)ভক্তি ৰত্নাকৰ

3)ৰুক্মিনীহৰণ কাব্য 4)ৰামবিজয় নাট উত্তৰঃ-**4**

**18.**মাধৱদেৱৰ বৰগীতৰ প্ৰধান ৰস-

1)কৰুণ 2)হাস্য

3)বাৎসল্য 4)শান্ত উত্তৰঃ-**3**

**19.**”দৈৱবাণী নোহে ইটো লৌকিকহে কথা।

এতেকে ইহাৰ দোষ নলৈবা সৰ্বথা।।“

এই উক্তি কৰোঁতা কবিগৰাকী-

1)ৰুদ্ৰ কন্দলী 2)ৰত্নাকৰ কন্দলী

3)মাধৱ কন্দলী 4)অনন্ত কন্দলী উত্তৰঃ-**3**

**20.**মহাভাৰতৰ সৰ্বাধিক পদ ৰচনা কৰা কবিগৰাকী-

1)ৰত্নাকৰ কন্দলী 2)ৰাম সৰস্বতী

3)অনন্ত কন্দলী 4)শ্ৰীধৰ কন্দলী উত্তৰঃ-**2**

**21.**’হস্তীবিদ্যাৰ্ণৱ’ গ্ৰন্থৰ প্ৰণেতা-

1)ৰামানন্দ দ্বীজ 2)কবিৰাজ চক্ৰৱৰ্তী

3)সুকুমাৰ বৰকাথ 4)শুভঙ্কৰ উত্তৰঃ-**3**

**22.**মৃগাৱতী চৰিতৰ লেখক-

1)চতুৰ্ভুজ দাস 2)দ্বিজৰাম

3)পৃথুৰাম দ্বিজ 4)পশুপতি দ্বিজ উত্তৰঃ-**2**

**23.**ইংৰাজী ভাষাত লিখিত প্ৰথম অসমীয়া ব্যাকৰণখনৰ প্ৰণেতা-

1)মাইলছ ব্ৰন্সন 2)নাথান ব্ৰাউন

3)উইলিয়াম ৰবিন্সন 4)এ কে গাৰ্ণী উত্তৰঃ-**3**

**24.**'অভিমন্যু বধ' কাব্যৰ ৰচক-

1)ভোলানাথ দাস 2)ৰুদ্ৰৰাম বৰদলৈ

3)ৰমাকান্ত চৌধুৰী 4)ৰত্নেশ্বৰ মহন্ত উত্তৰঃ-**3**

**25.**''হেমকোষ' প্ৰকাশৰ চন-

1)১৮৯৮ 2)১৮৯৯

3)১৯০০ 4)১৯০১ উত্তৰঃ-**3**

**26.**'নিবাৰণ ভট্টাচাৰ্য' নাটকখনৰ নাট্যকাৰ-

1)সত্যপ্ৰসাদ বৰুৱা 2)মহেন্দ্ৰ বৰঠাকুৰ

3)ভবেন্দ্ৰনাথ শইকীয়া 4)অৰুণ শৰ্মা উত্তৰঃ-**4**

**27.**বিহুনামৰ প্ৰথম সংকলনটিৰ নাম-

1)বিহুগীত আৰু বনঘোষা 2)ব'হাগী

3)আহোমৰ হুচৰি 4)আকুল পথিক উত্তৰঃ-**2**

**28.**'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' গ্ৰন্থখনৰ গ্ৰন্থকাৰ-

1)ডিম্বেশ্বৰ নেওগ 2)কালিৰাম মেধি

3)হেমচন্দ্ৰ গোস্বামী 4)দেবানন্দ ভৰালী উত্তৰঃ-**4**

**29.**অসমীয়া ভাষাৰ উৎপত্তিৰ লগত জড়িত প্ৰাকৃত-

1)অৰ্দ্ধ-মাগধী 2)মাগধী

3)মহাৰাষ্ট্ৰী 4)পৈশাচী উত্তৰঃ-**2**

**30.**লোকাপাৰ অলঙ্কাৰ শৰীৰৰ কোন অঙ্গত পিন্ধা হয়-

1)কাণ 2)ডিঙি

3)হাত 4)আঙুলি উত্তৰঃ-**1**

**31.**মিচিং সকলৰ উপাস্য দেৱতা-

1)দ'ঞি-প'ল্ 2)চালজং

3)বাথৌ 4)বায়খো উত্তৰঃ-**1**

**32.**'হাইদাং' গীত কোন জনগাষ্ঠীৰ মাজত প্ৰচলিত-

1)মিচিং 2)কছাৰী

3)তিৱা 4)ৰাভা উত্তৰঃ-**2**

**33.**খেৰাই পূজাত ব্যৱহৃত অপৰিহাৰ্য গছবিধ হ'ল-

1)বেলগছ 2)নিম গছ

3)কলগছ 4)সিজু গছ উত্তৰঃ-**4**

**34.**'সাহিত্য দৰ্পণ' গ্ৰন্থখনৰ ৰচয়িতা হ'ল-

1)বিশ্বনাথ কবিৰাজ 2)বিশ্বনাৰায়ণ শাস্ত্ৰী

3)তীৰ্থনাথ শৰ্মা 4)মনোৰঞ্জন শাস্ত্ৰী উত্তৰঃ-**2**

**35.**বামনৰ মতে কাব্যৰীতিৰ প্ৰকাৰ-

1)দুটা 2)তিনিটা

3)চাৰিটা 4)পাঁচটা উত্তৰঃ-**2**

**36.**"বক্ৰোক্তি কাব্যজীৱিতম্" বুলি কোৱা আলংকাৰিকজনৰ নাম-

1)ভামহ 2)বামন

3)কুন্তক 4)আনন্দবৰ্দ্ধন উত্তৰঃ-**3**

**37.**’ধ্বনিবাদ’ৰ প্ৰধান প্ৰবক্তাগৰাকী-

1)আনন্দবৰ্দ্ধন 2)বামন

3)কুন্তক 4)ভামহ উত্তৰঃ-**1**

**38.**ব্যৱহাৰীক জ্ঞান সম্পৰ্কীয় পুথিখন হ’ল-

1)ঘোঁৰা নিদানন 2)মৃগাৱতী চৰিত

3)সন্ত মুক্তাৱলী 4)সাত্ত্বত-তন্ত্ৰ উত্তৰঃ-**1**

**39.**লক্ষ্মীনাথ বেজবৰুৱাই কিমান চনলৈকে বাঁহী সম্পাদনা কৰিছিল-

1)১৯২৬ 2)১৯২৭

3)১৯২৮ 4)১৯২৯ উত্তৰঃ-**4**

**40.**ব্যভিচাৰীভাৱ কেইবিধ-

1)২৩ 2)২৮

3)৩১ 4)৩৩ উত্তৰঃ-**4**

**41.**ভৰতমুনিয়ে নাট্যশাস্ত্ৰত কেইবিধ ৰসৰ কথা উল্লেখ কৰিছে-

1)৬ 2)৭

3)৮ 4)৯ উত্তৰঃ-**3**

**42.**শৃংগাৰ ৰসৰ স্থায়ী ভাৱ হ’ল-

1)ৰতি 2)হাস

3)শোক 4)উতসাহ উত্তৰঃ-**1**

**43.**”কবিতা হ’ল ছন্দোৱদ্ধ ৰচনা” উক্তিটো কাৰ-

1)মিল 2)ড০ জনছন

3)ক’লেৰিজ 4)কাৰ্লাইল উত্তৰঃ-**2**

**44.**যতীন্দ্ৰনাথ দুৱৰাৰ ‘মগনিয়াৰ’ কোন শ্ৰেণীৰ কবিতা-

1)চনেট 2)কথা-কবিতা

3)শোক-গাঁথা 4)স্তোত্ৰ-কবিতা উত্তৰঃ**-2**

**45.**'যাদুকৰী বাস্তৱবাদ'ৰ প্ৰয়োগ ঘটা এখন অসমীয়া উপন্যাস-

1)মাকাম 2)আশীৰ্বাদৰ ৰঙ

3)জঙ্গম 4)কায়কল্প উত্তৰঃ-**4**

**46.**"একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা গল্পই চুটিগল্প"- কথাষাৰ কোনে কৈছিল-

1)চমাৰছেট মম 2)মোপাঁচা

3)ৰবীন্দ্ৰনাথ ঠাকুৰ 4)এডগাৰ এলেন পো উত্তৰঃ-**1**

**47.**প্ৰাচীন ভাৰতীয় সাহিত্যত 'নাটক' শব্দটোৰ প্ৰয়োগ প্ৰথমে কৰিছিল-

1)কুন্তক 2)ভৰতমুনি

3)কালিদাস 4)দণ্ডী উত্তৰঃ-**3**

**48.**ল'ৰাবন্ধু শিশু আলোচনীখনৰ সম্পাদক-

1)ৰঘুনাথ চৌধাৰী 2)হেমচন্দ্ৰ বৰুৱা

3)কৰুণাভিৰাম বৰুৱা 4)গুণাভিৰাম বৰুৱা উত্তৰঃ-**3**

**49.**অসমীয়া সাহিত্যত পোন প্ৰথমবাৰৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা চনটো-

1)১৯৫৩ 2)১৯৫৪

3)১৯৫৫ 4)১৯৫৬ উত্তৰঃ-**3**

**50.**সাহিত্য অকাডেমি বঁটা লাভ কৰা ভবেন্দ্ৰনাথ শইকীয়াৰ গ্ৰন্থখন-

1)প্ৰহৰী 2)বৃন্দাবন

3)শৃংখল 4)তৰঙ্গ উত্তৰঃ-**3**